# বালিগাঁৱৰ

## চমু আভাস
আৰু
## বৰকটকী পাৰিয়ালৰ আঁতি-গুৰি

ভবেন পূজাৰী
চন্দ্রপ্রভা ভট্টচার্য

সম্পাদনা ঃ দিলীপ শর্মা

# বালিগাঁৱৰ চমু আভাস
# আৰু
# বৰকটকী পৰিয়ালৰ আঁতি-গুৰি

সম্পাদনা ঃ দিলীপ শৰ্মা

ভবেন পূজাৰী
চন্দ্ৰপ্ৰভা ভট্টাচাৰ্য

মুনীন বৰকটকী স্মাৰক ন্যাস

**Baligaonor somu aabhaas aru Barkataki poriyalor ati-guri :**
written by Sri Bhaben Pujari & Smti Chandraprabha Bhattacharjya, edited by Sri Dilip Sarmah, published by Munin Barkotoki Memorial Trust in association with BOOKBELL.

**First edition :** October, 2014

প্ৰকাশক ঃ মুনীন বৰকটকী স্মাৰক ন্যাস,
বুকবেলৰ সহযোগত

© মুনীন বৰকটকী স্মাৰক ন্যাস

**ISBN** : 978-81-929804-4-7

**প্ৰথম প্ৰকাশ** ঃ অক্টোবৰ, ২০১৪

সম্পাদনা ঃ দিলীপ শৰ্মা

**প্ৰচ্ছদ আৰু অলংকৰণ** ঃ মৃদুল নাথ

মূল্য ঃ ১২০ টকা

মুদ্ৰক ঃ জেনেছিছ প্ৰিণ্টাৰ্ছ এণ্ড প্ৰাইভেট লিমিটেড্
গুৱাহাটী-৭৮১০০১

ৰায়বাহাদুৰ জগন্নাথ বৰুৱা
আৰু
ৰায়চাহাব দুৰ্গাধৰ বৰকটকীৰ
পুণ্য স্মৃতিত উছৰ্গা কৰা হ'ল

## সূচীপত্ৰ


| | |
|---|---|
| আগকথা | ৮ |
| বালিগাঁৱৰ চমু আভাস | ১ |
| বৰকটকী পৰিয়ালৰ আঁতি-গুৰি | ৪৭ |


# আগকথা

মুনীন বৰকটকী স্মাৰক ন্যাসৰ সৌজন্যত বালিগাঁও মিলন মন্দিৰ, বালিগাঁও সন্মিলনী নাট্য মন্দিৰ আৰু অসম সাহিত্য সভাৰ বালিগাঁও শাখা সভাৰ যৌথ উদ্যোগত প্ৰথিতযশা সাহিত্যিক, সমালোচক, মুনীন বৰকটকীদেৱৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী সভাখন বালিগাঁৱত পালন কৰিবলৈ লোৱা হৈছে। এই উপলক্ষে মুনীন বৰকটকী স্মাৰক ন্যাসে 'বালিগাঁৱৰ চমু আভাস আৰু বৰকটকী পৰিয়ালৰ আঁতি-গুৰি' নামৰ এই কিতাপখন প্ৰকাশ কৰি উলিয়াইছে। এই পুথিখনৰ আগকথা লিখিবৰ বাবে মুনীন বৰকটকীদেৱৰ দুহিতা মীনাক্ষী (পুপী) বৰকটকীয়ে অনুৰোধ কৰাত কলম তুলি ল'লো। মুনীন বৰকটকী স্মাৰক ন্যাসে ১৯৯৪ চনতে 'বিভিন্নজনৰ দৃষ্টিত মুনীন বৰকটকী' নামেৰে গ্ৰন্থ প্ৰকাশ কৰি বৰকটকীদেৱৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ মূল্যায়ন কৰাৰ প্ৰয়াস কৰিছিল। সেয়েহে শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠান উপলক্ষে প্ৰকাশ কৰা স্মাৰকগ্ৰন্থখনত আন দুটা বিষয়তহে গুৰুত্ব দিয়াৰ সিদ্ধান্ত লোৱা হয়। এটা হৈছে বৰকটকীদেৱৰ জন্মস্থান বালিগাঁও আৰু আনটো হৈছে তেখেতৰ বংশ আৰু পৰিয়াল। গতিকে গ্ৰন্থখনিত মাত্ৰ এই দুটা বিষয় পৰিশিষ্টসহ উত্থাপন কৰা হৈছে। 'বালিগাঁৱৰ চমু আভাস' আৰু 'বৰকটকী পৰিয়ালৰ আঁতি-গুৰি'। কিয়নো অসামান্য প্ৰতিভাৰে অসমৰ বৌদ্ধিক জগতত বিশিষ্ট স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা মুনীন বৰকটকীদেৱৰ কথা অহাৰ লগে লগে তেখেতৰ পিতৃ-পৰিয়াল তথা তেখেতৰ জন্মভূমি বালিগাঁৱৰ নাম ল'ব লাগিব।